৪ পৃষ্ঠাত ... ১০ পৃষ্ঠাত


# অসম আদিত্য

...হাগ, ১৯৪৮ শক ■ শুকুৰবাৰ, ১৫ মে', ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, May 15, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি...


## ...সজাগতা সভা

...মৰুগুৰি শৈক্ষিক বিকাশ মঞ্চৰ ...ত বিশেষ অভিৰোচন অনুষ্ঠান, ...যোগিতাৰ আয়োজন কৰিছে। ...াজত চিত্ৰাংকণ প্ৰতিযোগিতা ...ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব ...ৰুগুৰি শৈক্ষিক বিকাশ মঞ্চৰ ...ছে। ১ বজাৰ পৰা বিশেষ অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানত ...ত্ৰ-ছাত্ৰীসকল উপস্থিত থাকিব।

## কানৈ কলেজৰ প্ৰথমখন আলোচনী ৰাজস্পন্দন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৪ মে' ঃ** ৮০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ইতিহাসত খোদিত হ'ল এক নতুন অধ্যায়। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰি উলিওৱা বিভাগৰ প্ৰথমখন আলোচনী 'ৰাজস্পন্দন' উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আলোচনীখন উন্মোচন কৰি আজি অধ্যক্ষ ড০ শইকীয়াই কয়— ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰা এই পদক্ষেপ অতি সুন্দৰ আৰু অনন্য হৈছে, যিয়ে ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ প্ৰতি আকৰ্ষিত কৰাৰ লগতে ভৱিষ্যতৰ দিনত এক সমল সৃষ্টি কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী চয়নিকা বুঢ়াগোহাঁইৰ সম্পাদনাত প্ৰাণ পাই উঠা 'ৰাজস্পন্দনে' পৰৱৰ্তী সময়তো একে ধাৰাবাহিকতা বহন কৰিব বুলি অধ্যক্ষগৰাকীয়ে কয়। উক্ত অনুষ্ঠানত ৰাজনীতি বিভাগৰ পৰা উত্তীৰ্ণ হৈ পৰৱৰ্তী সময়ত অৰুণাচল প্ৰদেশৰ নামচাইস্থিত অৰুণাচল বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে ৰাজনীতি বিজ্ঞান বিভাগত প্ৰথম বিভাগৰ প্ৰথম স্থান অধীকাৰ কৰি বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীত ২০২৫ বৰ্ষত স্বৰ্ণ পদক লাভ কৰা ইৰাণী হুছেইনক ৰাজনীতি বিজ্ঞান বিভাগৰ তৰফৰ পৰা এখন ফুলাম গামোছা, প্ৰশংসা পত্ৰ আৰু স্মাৰকেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, দাতা পৰিয়ালৰ সদস্য জ্যোতিপ্ৰসাদ কানৈ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নিৰ্মালী পেগুৱে। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী চয়নিকা বুঢ়াগোহাঁই আৰু ছাত্ৰ কুনাল সিংহই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে দাতা পৰিয়ালৰ সদস্য জ্যোতিপ্ৰসাদ কানৈ। অনুষ্ঠানত উপস্থিত থাকি কানৈয়ে ৰাজনীতি বিজ্ঞান বিভাগে গ্ৰহণ কৰা উক্ত পদক্ষেপক প্ৰশংসা কৰাৰ লগতে স্বৰ্ণ পদক লাভ কৰি কানৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ইৰাণী হুছেইনক শুভেচ্ছা জ্ঞাপন কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নিৰ্মালী পেগুৱে ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা আলোচনী উন্মোচনী, ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আৰু ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় সম্বৰ্ধনা অনুষ্ঠান সুন্দৰভাৱে আয়োজন কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনাগত দিনসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাই বিভাগটোক আৰু আগুৱাই লৈ যাব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, অসম গণ পৰিষদ দলৰ ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি তথা ইৰাণী হুছেইনৰ পিতৃ তুলতুল হুছেইনৰ লগতে মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ...ৰ সাহিত্য সন্ধিৎসা উন্মোচন



এটি গীত পৰিৱেশন কৰে স্মৃতিৰেখা দেৱীয়ে। প্ৰকাশক বন্দনা কৌশিকবৰদলৈয়ে নিজকে কিতাপ পঢ়িভাল পোৱা ব্যক্তি হিচাপে পৰিচয় দি তেওঁ এই গ্ৰন্থখন অসমীয়া সমালোচনাৰ জগতত এখন বিশেষ গ্ৰন্থ হিচাপে পৰিচিত হ'ব বুলি আশা প্ৰকাশ কৰে। গ্ৰন্থৰ লেখক ড০ মৃদুল শৰ্মাই কয় যে তেওঁৰ প্ৰথমখন কিতাপৰ নাম পৰিকল্পনা কৰা...